**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 12-04-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**-----------------------------**

## *Headlines*

১। ৰঙালী বিহুলৈ এদিন বাকী থকা অৱস্থাত ৰাজ্যবাসীৰ বিহুৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

২। কোকৰাঝাৰ জিলাৰ হৰিণাগুৰিৰ বাওখুংগ্ৰী পাহাৰত আজিৰে পৰা তিনিদিনীয়াকৈ ত্ৰয়োদশ বাওখুংগ্ৰী মহোৎসৱ।

৩। কোনোধৰণৰ চুক্তি অবিহনে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানৰ মাজৰ আলোচনাৰ অন্ত। **আৰু**

৪। গুৱাহাটীত কাইলৈৰ পৰা ১৯ এপ্ৰিললৈ অষ্টম পুৰুষ-মহিলা ৰাষ্ট্ৰীয় যুৱ বক্সিং প্ৰতিযোগিতা।

oooooooo

অসমবাসীৰ হেঁপাহৰ ৰঙালী বিহুলৈ মাজত এদিন বাকী থকা অৱস্থাত ৰাজ্যবাসীৰ বিহুৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। উজনিৰ পৰা নামনিলৈ বিহু ঢোলৰ গুমগুমনি আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্ত নিশা ঢোলৰ গুমগুমনি আৰু পেঁপাৰ শব্দেৰে মুখৰিত হৈ উঠিছে। ঠাই বিশেষে আবাল-বৃদ্ধ বণিতা সকলো বিহু হুঁচৰিৰ আখৰাত ব্যস্ত হৈ উঠা পৰিলক্ষিত হৈছে। বাপতিসাহোন ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ প্ৰস্তুতি হিচাপে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে। পৰহিলৈ অসমবাসীয়ে গৰু বিহুৰ দিনা পৰম্পৰাগত ৰীতি-নীতিৰে গৰুক গা ধুৱাই গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিব। বুধবাৰে মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱানখন আগবঢ়াই পৰস্পৰক বিহুৰ ওলগ যাচিব। চৰাইদেউ জিলাৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে ৰঙালী বিহুৰ বাবে পূৰ্ণোদমে প্ৰস্তুতি চলাইছে। জিলাখনৰ ৰাইজে হুচৰিৰ আখৰা সম্পূৰ্ণ কৰাৰ লগতে জীয়ৰী-বোৱাৰীসকলে বিহুৰ বাবে পিঠাপনা, জা-জলপানৰ যোগাৰ সম্পূৰ্ণ কৰিছে।

শিৱসাগৰৰ সমীপৰ ৰুদ্ৰসাগৰৰ পুৰণি পুখুৰীপাৰত অনুসূচীত জাতি মহিলা ঐক্যমঞ্চৰ উদ্যোগত আয়োজিত সাদিনীয়া বিহু আৰু ঢোলবাদন কৰ্মশালাৰ কালি সামৰণি পৰে। ৪ এপ্ৰিলৰ পৰা অনুষ্ঠিত এই কৰ্মশালাত দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি বিহু নাচ আৰু ঢোল বাদনৰ প্ৰণালীবদ্ধ প্ৰশিক্ষণ গ্ৰহণ কৰে।

সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত শিৱসাগৰ মহকুমা ছাত্ৰ আৰু আঞ্চলিক ছাত্ৰ সন্থা তথা স্থানীয় ৰাইজৰ সহযোগত ২ ব'হাগত শিৱসাগৰ নগৰৰ বোৰ্ডিং খেলপথাৰত মুকলি বিহু আৰু সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহ শিক্ষাবিদ তথা লোকসংস্কৃতিৰ গৱেষক ড০ অনিল শইকীয়াই শুভাৰম্ভ কৰিব।

অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত ডিব্ৰুগড়ত কালিৰে পৰা তিনিদিনীয়াকৈ অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। জিলা পুথিভঁৰাল প্ৰাংগণত অনুষ্ঠিত এই মেলাত ২৮টা আত্মসহায়ক গোটৰ বিপনীৰ লগতে বিভিন্ন বিভাগৰ বিপণীয়ে অংশ লৈছে। জিলাখনৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে বিহুৰ প্ৰস্তুতি চলাইছে। মটক, মৰাণ আৰু আহোম জনগোষ্ঠীৰ লোকসকলে বালি হুঁচৰি আৰম্ভ কৰি বিহুৰ প্ৰস্তুতি চলাইছে।

গোৱালপাৰা জিলাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত তিনি দিনীয়াকৈ অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। মেলাৰ সৈতে সংগতি ৰাখি খেল-ধেমালি প্ৰতিযোগিতা, বিহু নাচ, পৰম্পৰাগত সাজপাৰ, লোকগীত আৰু আধুনিক গীতৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

গুৱাহাটী মহানগৰীত নেডফিহাট, লক্ষীধৰ বৰা ক্ষেত্ৰৰ উপৰি বিভিন্ন স্থানত বিহু উপলক্ষে বিপণী মুকলি কৰা হৈছে।

ধেমাজি জিলাৰ বিভিন্ন প্ৰান্তত জনসাধাৰণে বিহুৰ প্ৰস্তুতি চলাইছে।

বকোত আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ উদ্যোগত বিহুনাচৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ২৩ গৰাকী প্ৰশিক্ষকে এই কৰ্মশালাত  প্ৰশিক্ষণ প্ৰদান কৰিছে। কামৰূপ আৰু গোৱালপাৰা জিলাৰ এহেজাৰ ২০০তকৈ অধিক ল'ৰা-ছোৱালীয়ে কৰ্মশালাত অংশ লৈছে।

বিশ্বনাথ জিলাৰ কলাবাৰীত বিহুৰ কৰ্মশালা অনুষ্ঠিত হৈছে। কৰ্মশালাত দুই শতাধিক নাচনী-ঢুলীয়াই অংশগ্ৰহণ কৰিছে। সোমনাথ ওজাই প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰিছে। উত্তৰ গুৱাহাটীৰ মাইহাং সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত বিহু কৰ্মশালাৰ আয়োজন কৰা হৈছে।

মঙলদৈ চহৰৰ জয়ন্ত হাজৰিকা স্মৃতি উদ্যানত কালিৰেপৰা ব'হাগী মেলা অনুষ্ঠিত হৈছে। সোমবাৰলৈ হ'বলগীয়া এই মেলা দৰং জিলাৰ আয়ুক্ত আয়ুসী জৈনে উদ্বোধন কৰে।

একেদৰে হাটশিঙিমাৰীতো কালিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত অনুষ্ঠিত এই মেলাৰ জৰিয়তে অঞ্চলটোৰ আত্মসহায়ক গোটৰ সদস্যসকলক হস্তনিৰ্মিত আৰু থলুৱা সামগ্ৰী বিক্ৰীৰ এখন সমন্বিত মঞ্চ প্ৰদান কৰিব বিচৰা হৈছে।

হাফলঙত তিনিদিনীয়া কাৰ্যসূচীৰে অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। এই মেলাত লোকসংগীত, বিহু নাচ আৰু পৰম্পৰাগত নৃত্যকে ধৰি ৰাজ্যৰ চহকী পৰম্পৰা প্ৰদৰ্শন কৰা হৈছে। এই মেলাত অঞ্চলটোৰ বিভিন্ন মহিলা সমিতিয়ে প্ৰস্তুত কৰা পিঠাপনা, হস্তশিল্প, বস্ত্ৰ আদি সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। অসম গ্ৰামীণ জীৱিকা মিছনৰ তত্বাৱধানত শিলচৰত কালিৰেপৰা ব'হাগী মেলা অনুষ্ঠিত হৈছে। ১৩ এপ্ৰিললৈ চলিবলগীয়া এই মেলাত আত্মসহায়ক গোটৰ সদস্যসকলৰ হস্তনিৰ্মিত আৰু থলুৱা সামগ্ৰীৰ প্ৰদশনী আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

যোৰহাটৰ অ'ল্ড চাৰ্কিট ৰোডত ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। জিলাখনৰ বিভিন্ন আত্মসহায়ক গোট আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসকলে এই মেলাত অংশগ্ৰহণ কৰিছে। তিতাবৰতো ব'হাগী মেলা অনুষ্ঠিত হোৱাৰ বাতৰি পোৱা গৈছে।

০০০০০০০

কোকৰাঝাৰ জিলাৰ হৰিণাগুৰিৰ বাওখুংগ্ৰী পাহাৰত আজিৰে পৰা তিনিদিনীয়াকৈ ত্ৰয়োদশ বাওখুংগ্ৰী মহোৎসৱৰ আয়োজন কৰা হৈছে। মঙলবাৰে সামৰণি পৰিবলগীয়া এই উৎসৱৰ অংশ হিচাপে পৰম্পৰাগত বিশ্বাস অনুসৰি বাওখুংগ্ৰী পাহাৰ বগোৱা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আজি পুৱা এই মহোৎসৱ আৰম্ভ হৈছে।

উৎসৱৰ সৈতে সংগতি ৰাখি বড়ো জনগোষ্ঠীৰ থলুৱা খেল ধেমালীৰ আয়োজন কৰা হৈছে। তদুপৰি এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি বৈসাগু আৰু বাগৰুম্বা নৃত্য প্ৰদৰ্শনৰ দিহা কৰা হৈছে। বাওখুংগ্ৰী উৎসৱ আয়োজক সমিতিৰ সভাপতি ধনেশ্বৰ গয়াৰীয়ে সকলো ধৰ্ম-বৰ্ণ তথা জাতি-জনগোষ্ঠীৰ লোকক এই উৎসৱত অংশ ল'বলৈ আহ্বান জনোৱাৰ লগতে কয়, যে তিনিদিনীয়া এই মহোৎসৱৰ অংশ হিচাপে চাইক্লিং, পেৰাগ্লাইডিং, এয়াৰ বেলুন উৰুৱা, খাদ্য মহোৎসৱ আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে বড়ো জনগোষ্ঠীৰ নৱবৰ্ষৰ উৎসৱ বৈশাগু বা ৰঙালী বিহুৰ পূৰ্বে জনগোষ্ঠীটোৱে এই বাওখুংগ্ৰী পাহাৰ বগোৱা উৎসৱৰ আয়োজন কৰে। পৰম্পৰাগত বিশ্বাস অনুসৰি এই পাহাৰ বগাই শীৰ্ষলৈ গৈ ইষ্ট দেৱতাৰ আৰাধনা কৰাৰ দ্বাৰা বছৰটোলৈ অসুখ, অশান্তি, আৰু দুৰ্ভাগ্য নাশ হয়। ২০১৩ চনৰ পৰা বিটিচিৰ পৰ্যটন বিভাগে এই উৎসৱৰ আয়োজন কৰি ইয়াৰ অংশ হিচাপে দুঃসাহসিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানৰ মাজত পাকিস্তানৰ ৰাজধানী ইছলামাবাদত প্ৰায় ২১ ঘণ্টা ধৰি চলা আলোচনাৰ কোনোধৰণৰ চুক্তি অবিহনে অন্ত পৰিছে। আলোচনাৰ অন্তত আমেৰিকা উপ-ৰাষ্ট্ৰপতি জে ডি ভেন্সে কয়, যে আলোচনা সাৰ্থক আছিল যদিও কোনোধৰণৰ চুক্তিত উপনীত হ'বপৰা নগ'ল। তেওঁ কয়, যে পাৰমাণৱিক অস্ত্ৰ আহৰণ নকৰাৰ বাবে ইৰানৰ দীৰ্ঘকালীন প্ৰতিশ্ৰুতিবদ্ধতাক লৈ মতভেদ অব্যাহত আছে। তেওঁ লগতে কয়, যে আমেৰিকাই ইৰানক অন্তিম প্ৰস্তাৱ দিছে আৰু দেশখনৰ প্ৰতিক্ৰিয়াক লৈ বাট চাই থকা হৈছে।

ইয়াৰ পূৰ্বে ইৰান চৰকাৰে সামাজিক মাধ্যম এক্সযোগে দিয়া এটা বিবৃতিত একাংশ বিষয়ক লৈ মতানৈক্য সত্বেও আলোচনা অব্যাহত থাকিব বুলি ইংগিত দিয়ে।

০০০০০০০

নতুন দিল্লীত অনুষ্ঠিত এছিয়ান ছিনিয়ৰ আৰু ২৫ বছৰ অনূৰ্ধ এছিয়ান লন বল চেম্পিয়নশ্বিপত দেশক প্ৰতিনিধিত্ব কৰা ১৪ জনীয়া দলৰ অসমৰ আটাইকেইগৰাকী খেলুৱৈয়ে পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। নয়নমণি শইকীয়াই মহিলাৰ আৰু পুতুল সোণোৱালে পুৰুষৰ ছিংগলছত সোণৰ পদক লাভ কৰিছে। প্ৰতিযোগিতাত নয়নমণি আৰু পুতুলৰ উপৰি জয়ন্ত শৰ্মাইয়েও প্ৰতিযোগিতাৰ পুৰুষৰ ফ'ৰ শিতানত সোণৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। বনগীতা হাজৰিকাই মহিলাৰ ফ'ৰ শিতানত ৰূপৰ পদক অৰ্জন কৰে। সুৰঞ্জনা বৰুৱাই ২৫ বছৰ অনূৰ্ধৰ ছোৱালীৰ ছিংগলছত আৰু বিটু দাসে ল'ৰাৰ ছিংগলছত ব্ৰঞ্জৰ পদক হস্তগত কৰে।

০০০০০০০

গুৱাহাটীত কাইলৈৰ পৰা ১৯ এপ্ৰিললৈ অষ্টম পুৰুষ-মহিলা ৰাষ্ট্ৰীয় যুৱ বক্সিং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দেশৰ ৩৩ খন ৰাজ্যৰ প্ৰায় ৮০০ খেলুৱৈ, প্ৰশিক্ষক আৰু কাৰিকৰী বিষয়াই এই প্ৰতিযোগিতাত অংশ ল'ব। অসম এমেচাৰ বক্সিং সংস্থাৰ সভাপতি সিদ্ধাৰ্থ ভট্টাচাৰ্যই কালি প্ৰতিযোগিতাৰ লগ' মুকলি কৰে। বক্সিং

ফেডাৰেচন অব্ ইণ্ডিয়াৰ সহযোগত অসম এমেচাৰ বক্সিং সংস্থাই আয়োজন কৰা এই প্ৰতিযোগিতাৰ পৰাই যুৱ অলিম্পিক গেম্‌ছ আৰু বিশ্ব চেম্পিয়নশ্বিপৰ বাবে ভাৰতীয় পুৰুষ-মহিলা বক্সিং দল বাছনি কৰা হ'ব। সোণাপুৰৰ অসম ডনবস্ক' বিশ্ববিদ্যালয়ত হ'বলগীয়া এই প্ৰতিযোগিতাৰ বাবে ১০টা ওজন শাখাত ২৭৪ গৰাকী ল'ৰা ২৪০ গৰাকী ছোৱালীয়ে নাম পঞ্জীয়ন কৰিছে।

০০০০

**সমাপ্ত**